# অনৈক্যৰ চক্ৰান্তক ভেদ কৰি আৰ্মকাক পুনৰ গঠন কৰক।

## বৰ্তমানৰ প্ৰেক্ষাপটটো ঃ

"শান্তি" আৰু 'উন্নয়ণৰ' নিচুকনি সাধু শুনোৱা শেষ নৌহওতেই বি টি এ ডিত যোৱা ১৯ জুৱাইৰ পৰা জ্বলিছে গোষ্ঠী সংঘৰ্ষৰ লেলিহান জুই, য'ত পুৰি ছাৰখাৰ হৈছে বিভিন্ন জনগোষ্ঠীৰ মাজত ঐতিহাসিকভাবে প্ৰয়োজন হোৱা পাৰস্পৰিক সদ্ভাৱ-বিশ্বাস আৰু আস্থাৰ এনাজৰি। ছাৰখাৰ হৈছে গণতন্ত্ৰ- মানৱতা, আৰু ছাৰখাৰ হৈছে নতুন অসম নিৰ্মানৰ সকলো লক্ষ জক্ষও । অভিযোগ-প্ৰতিঅভিযোগৰ ধোঁৱাৰ কুণ্ডলীৰ আঁৰত মুখ লুকাব বিচাৰিলেও সংঘৰ্ষৰ প্ৰধান নায়ক সকলক চিনাক্ত কৰিবলৈ খবৰ ৰখা মানুহৰ কোনো অসুবিধা হোৱা নাই — সংবাদমাধ্যমত প্ৰকাশিত খবৰবোৰ সাৱধানে বিশ্লেষণ কৰিলেও সেইবোৰ কথা ধৰিব পাৰিব। ঘটনাৰ বিৱৰণীৰে আমি আপোনালোকক ভাৰাক্ৰান্ত কৰিব নোখোজো। আমি মাথো এই মুহূৰ্তত অতি বেদনাদায়ক নাৰকীয় পৰিস্থিতিৰ আৱসান কামনা কৰি সংশ্লিষ্ট পক্ষবোৰক জাতিবিদ্বেষৰ ঘৃণনীয় ৰাজনীতিৰে প্ৰনোদিত সংঘৰ্ষকাণ্ডক বন্ধ কৰিবলৈ কাতৰ আবেদন জনাওঁ আৰু বিধবস্ত জনজীৱনক পুনৰ্গঠিত কৰাৰ কামত নিজৰ নিজৰ দায়িত্বক নিষ্ঠা সহকাৰে পালন কৰিবলৈ সকলো পক্ষকে গোহাৰি

জনাওঁ।

সাম্প্রতিক কালৰ বীভৎশ সংঘর্ষ যে বড়ো ৰাজ্য (বড়ো হাদৎ) গঠনৰ দাবীক নায্য প্রতিপন্ন কৰাৰ উদ্দেশ্যে নৃগোষ্ঠীয় চাফাই অভিযানেৰে সংশ্লিষ্ট এলাকাত বড়ো জাতীয় সংখ্যাগৰিষ্ঠতা বঢ়োৱাৰ (বড়ো নেতা সকলৰ দাবী সত্বেও কিন্তু সংশ্লিষ্ট এলাকাত বড়ো সংখ্যালঘুৱেই।) লক্ষ্যত দীর্ঘকাল জুৰি কিছুদিনৰ মূৰে মূৰে চলাই অহা গোষ্ঠী সংঘর্ষৰ ৰাজনীতিৰে এটা পর্য্যায় মাথোন সেই কথা নকলেও চলে। নিজ জাতিৰ স্বায়ত্বশাসন আৰু আত্মনিয়ন্ত্রণৰ অধিকাৰ সাব্যস্ত কৰিবলৈ অন্যজাতি-গোষ্ঠীৰ একে ধৰণৰ অধিকাৰ খর্ব কৰিব খোজা আধিপত্যকামী বড়ো নেতৃত্বৰ ভুল দৃষ্টিভঙ্গীআৰু আগণতান্ত্রিক কর্মকাণ্ড আৰু তেওঁলোকৰ প্রধান প্রভু, দিল্লীকেন্দ্রিক শাসনৰ মুল ৰাজনৈতিক স্তম্ভ কংগ্রেছ-বিজেপি উভয় চৰকাৰৰ সন্ত্রাসবাদী বড়ো নেতৃত্বৰ পিঠি চপৰিওৱা তোষামোদৰ ৰাজনীতি আৰু প্রশাসনিক ব্যৱস্থা গ্রহণৰ অনুচিত শিথিলতাৰ সুবিধাবাদী উদাৰনীতিয়েই প্রধানকৈ দায়ী সেই কথাটোকো ইয়াত পুনৰ দোহাৰিছোঁ। ইয়াক বুজিব নোৱাৰিলে যে উৎপীড়িত অৱহেলিত মানুহৰ ন্যায্য অধিকাৰৰ বাবে কৰা সংগ্রামত প্রকৃত হেঙাৰ কোনবোৰ শক্তি তাক চিনিব নোৱাৰি সদায় সেই ৰাজনৈতিক শক্তিবোৰৰ ছলনাৰ বলি হ'ব লাগিব । আইনশৃঙ্খলা ৰক্ষাৰ শপত খোৱা



চৰকাৰী প্রশাসনে চকুৰ আগতে সংঘর্ষৰ দাবানল দেখিও কিয় নির্বিকাৰ ভূমিকা লৈ থাকে তাৰ ক্ষেত্রত ৰাজনৈতিক প্রশাসনৰ নিয়ন্ত্রণমুক্ত তদন্তইহে আঁৰৰ ৰহস্য ভেদ কৰিব পাৰিব।

বি টি চি প্রধান হাগ্রামা মহিলাৰীহঁতৰ দ্বাৰা লালিত-পালিত সশস্ত্র সংগঠনে বেচ কিছুকাল ধৰি সংখ্যালঘু সম্প্রদায়ৰ মানুহৰ ওপৰত আক্রামণৰ চেলু তৈয়াৰ কৰিবলৈ যিবোৰ ঘটনাৰ প্রৰোচনা সৃষ্টি কৰি আছিল তাৰ পৰিণতিতে ঘটা দুঃখজনক গোষ্ঠীসংঘর্ষৰ বধ্যভূমিত থিয় হৈ প্রধান ৰাজনৈতিক শক্তিবোৰে সংঘর্ষৰ আঁৰত 'তৃতীয় পক্ষ' একোটা আৱিস্কাৰ কৰিবলৈ উঠিপৰি লাগিছে। হাগ্রামা মহিলাৰীয়ে পূর্বপৰিকল্পিতভাবেই পাঙি থোৱা বিবৃতি জাৰি কৰি প্রথমতে সীমান্ত সিপাৰৰ বাংলাদেশীয়ে আৰু কেন্দ্রৰ প্রভূসকলে তেনে সম্ভাৱনাকে নাকচ কৰাত সুৰ সলাই বি টি এ ডিৰ বাহিৰৰ প্রব্রজনকাৰী মুছলমানে "অবড়ো সুৰক্ষা সমিতি'চ নামৰ সংগঠনৰ হতুৱাই উচটনি দি বিটিএডিৰ ভিতৰৰ প্রব্রজনকাৰীক সংঘর্ষত নমোৱা বুলি "গুহাত লুকাই থকা পৰম সত্য"টো আৱিস্কাৰ কৰিছে। এনেহেন পৰম সত্য আৱিস্কাৰৰ পিচত আৰু পায় কোনে? লগে লগে ভি এইচ পিৰ টোগাৰিয়াজী, বজৰং বাহিনী আৰু বি জে পিৰ আদাৱানী সকলে যত কূটাৰ ঘাই বাংলাদেশী (মুছলমান) তত্বৰ শৰণ

লৈঅসম মুলুকত মুছলমান বিদ্বেষী ঘোলাপানীত মাছ ধৰাৰ, ৰাজনীতিত হাত উজান দিছে। নিৰ্বিচাৰে বাংলাদেশী লেবেল লগাই মুছলমানক আক্ৰমণ কৰাৰ ই এটা সস্তীয়া পদ্ধতি। এইবোৰ চৰকাৰী প্ৰশাসনৰ দায়িত্বহীন, কেৱল কুটিল ৰাজনীতিৰ সুবিধা বিচাৰি ফুৰা শক্তিৰ কথা বাদেই দিয়ক, শান্তি-শৃঙ্খলা বজায় ৰখা আৰু জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তি ৰক্ষাৰ চৰকাৰী দায়িত্ব ন্যস্ত শাসকীয় ৰাজনৈতিক শিবিৰতে সংঘৰ্ষৰ আৰঁত ধৰা-চোৱাৰ বাহিৰৰ কোনো 'মায়াবিনী' তৃতীয়পক্ষৰ আৱিস্কাৰেৰে ক্ষমতাকেন্দ্ৰিক ৰাজনীতিৰ প্ৰতিদ্বন্দ্বিতাক আগুৱাই নিয়াৰহে পৰিকল্পনাত ব্যস্ত হোৱাৰ নজিৰো স্পষ্ট ৰূপে দেখা গৈছে।

সাধাৰণ জনতাৰ স্বাৰ্থৰ বিপৰীতমুখী এনে সংঘৰ্ষৰ আঁৰত যে 'তৃতীয় পক্ষচ এটা আছে সেই কথাত সহজবোধ্য। তেন্তে এই তৃতীয় পক্ষনো কোন ? ই হৈছে প্ৰতিটো সংঘৰ্ষৰত জনগোষ্ঠীৰ সন্মুখ শাৰীত থকা শিখণ্ডী ৰূপী এজেন্টবোৰৰ পিচফালে থকা নেপথ্য শক্তি ভাৰতীয় কেন্দ্ৰীয় শাসন তন্ত্ৰৰ পৰ্দাৰ আঁৰত থকা শক্তিসমূহ মুখ্য, যাৰ স্বাৰ্থৰ বিবাহ বন্ধন আছে দেশী আৰু বিদেশী কৰ্পোৰেট পুঁজিৰ সৈতেও। ইয়াৰ ৰাজনৈতিক মুখপাত্ৰ ৰূপেই (সাসক আৰু বিৰোধী) উভয় শিবিৰৰ সাংসদসকলে ভাৰতীয় সংসদত অথবা অসংসদীয় 'জনবাদী-আন্দোলন'ৰ মঞ্চত আন বহুতে নানা চং আমাক



দেখুৱাই থাকে। পাচে, এই হেন 'তৃতীয় পক্ষ'ৰ দ্বাৰা প্ৰনোদিত নাৰকীয় কাণ্ডবোৰ কিছুমানে কবৰ দৰে অকল মুখ্যমন্ত্ৰীৰ ভাৱমূৰ্তি ম্লান কৰা বা অসমৰ 'ইমেইজ' কলংকিত কৰাৰ উদ্দেশ্যেই ঘটোৱা হোৱা নাই। 'বড়োল্যাণ্ড ৰাজ্য' আদায়ৰ তাৎক্ষণিক তাগিদাত সংঘৰ্ষৰ উদগনি যোগোৱা শক্তিবোৰৰ আঁৰত থাকি ইয়াত ইন্ধন যোগাই থকা শক্তিবোৰে কৰ্পোৰেট পুঁজিয়ে অসম তথা উত্তৰ-পূৰৰ ভূমিকে ধৰি প্ৰাকৃতিক আৰু ৰাজহুৱা খণ্ডৰ অন্য সম্পদৰাজি নিৰ্বিবাদে লুণ্ঠন কৰাটোক নিশ্চিত কৰিবলৈহে জনগণৰ প্ৰতিৰোধ শক্তিক দুৰ্বল কৰাৰ কুমতলবেৰেই জনতাৰ ঐক্য-সংহতি বিনাসী গোষ্ঠীসংঘৰ্ষৰ জুইকুৰা জ্বলাই ৰাখিব বিচাৰিছে। এই গোষ্ঠীসংঘৰ্ষৰ বাবে ইয়াক যিকোনো চেলু হ'লেই হ'ল। কেইদিনমান আগৰ ৰুমী নাথ কাণ্ডক মনত পেলাওচোন। মনত পেলাওক, যুক্তিগ্ৰাহ্য সমাজতাত্বিক সমালোচনাৰ ঔচিত্যৰ সীমা চেৰাই ভাৰতীয় তথা ধৰ্মসম্প্ৰদায় বিশেষৰ অনুভূমিক আঘাত কৰি গোষ্ঠী-সংঘৰ্ষৰ উদগনি যোগাৰ পৰা ধৰণে 'গ্ৰন্থ' নিষিদ্ধ কৰণৰ ফেচিবাদী সামন্তবাদীসুলভ চৰিত্ৰৰ দাবীবোৰৰ কথা। সমাজৰ গণতন্ত্ৰীকৰণৰ কথা কোৱা সকলৰ মাত্ৰাতিৰিক্ত প্ৰগলভতাৰ আঁৰত এক পৰমতৰ প্ৰতি অসহিষ্ণুত সান্তবাদী-ফেচিবাদী প্ৰৱণতাবোৰৰ মেদবৃদ্ধি ঘটোৱা ঘটনাবোৰ এটাৰ পিচত এটাকৈ ঘটি আছে একেই সূত্ৰধাৰৰ পৰিচালনাত

একসুৰীয়া ভাওনাৰ দৃশ্যাৱলীৰ দৰে পূৰ্বতকৈ যে বহু বেচি ক্ষীপ্ৰতাৰে যোৱা দুটা মাহত, সিও কোনো ব্যাখ্যাতীত ৰহস্য নহয়। 'কৃষক মুক্তি'ৰ নেতা অখিল গগৈৰ ওপৰত কংগ্ৰেছী-গুণ্ডাৰ শাৰীৰিক আক্ৰমণৰ পৰা আৰম্ভ কৰি ডিএছৰোড (গুৱাহাটী), ডিমৌ (শিৱসাগৰ)ত যুৱতীৰ শ্লীলতাহানিৰ ঘটনাবোৰ ভালদৰে বিশ্লেষণ কৰিলেও 'অশান্তিকামী' এই সত্যই ওলাই পৰিব। দেখাত বিচ্ছিন্ন যেন লাগিলেও প্ৰকৃতপক্ষে এই আটাইবোৰ ঘটনা কৰ্পোৰেট লুণ্ঠনক প্ৰতিৰোধ বিহীনকৈ সহজসাধ্য কৰি তোলাৰ 'গহীন' আৰু 'মহান' উদ্দেশ্যতে চালিত। বৃহৎ নদীবান্ধ বিৰোধী আন্দোলনক ৰাষ্ট্ৰীয় দমন-বাহিনীৰ আক্ৰমণেৰে ছত্ৰভঙ্গ কৰোৱাৰ পিচত আৰু বান্ধ নিৰ্মানৰ বাবে এন এইছ পি চিৰ তৎপৰতাৰ সৈতে খাপখুৱাই ঘটনাৱলী সংঘটিত কৰা হৈছে আৰু ৰাইজ আৰু নেতাসকলৰ দৃষ্টি কো সেইফালে ঘুৰাই তাতে নিবদ্ধ কৰি ৰাখিব পৰা গৈছে — একেটা গুলিৰে দুই চিকাৰ। এয়া এটা মাত্ৰা উদাহৰণ। অসমৰ সমাজজীৱনৰ এই ক'লা ইতিহাসৰ অসচেতন বা সচেতন যন্ত্ৰী কোন, হাতিয়াৰ কোন সেই কথাৰ বিচাৰ-বিশ্লেষণ পাচে পৰেও কৰিব পৰা যাব ; এতিয়া মাথোন যি ঘটি আছে তাৰ উপযুক্ত মোকাবিলাৰ উপায় চিন্তি তদনুৰূপ কাৰ্য্যতৎপৰতাহে চলাবৰ সময়।



ন্যস্তস্বাৰ্থৰ প্ৰতিক্ৰিয়াশীল শক্তিবোৰে যেনেদৰে আজি তাণ্ডৱ নাচিব লাগিছে সেয়া বহুলাংশে সম্ভৱ হৈছে সমাজ ৰূপান্তৰৰ কথা কৈ, জনগণৰ সন্মুখত দায়বদ্ধতা ঘোষণা কৰি জনআন্দোলনৰ মঞ্চবোৰ দখল কৰি থকা বাওঁ-গণতান্ত্ৰিক আন্দোলনৰ দুৰ্বলতাৰ কাৰণে, জন আন্দোলনত যথোচিত উদ্যোগ উজ্জীৱিত কৰিতোলাত অনীহাৰ কাৰণে বা অপাৰগতাৰ কাৰণে । কি শ্ৰেণী বা জাতি-বৰ্ণীয় উৎসৰ পৰা অহা লোকেৰে গাঠিত হোৱা নেতৃত্বৰ কাৰণে বাওঁ আন্দোলনৰ বিচ্যুতিসমূহ ঘটি আছে সেই কথা প্ৰসঙ্গাঁন্তৰত আলোচনা কৰিব পাৰি। ইয়াত এইখিনি কথা কোৱাই যথেষ্ট যে ভাৰত তথা অসমৰো বাওঁপন্থী শক্তিসমূহে অকল সংসদীয় ৰাজনীতিৰ মোহত আচ্ছন্ন হৈ আৰু সংকীৰ্ণ ট্ৰেড-ইউনিয়নবাদী আন্দোলনৰ অনুশীলনতে নিজৰ কৰ্মকাণ্ডক সীমিত কৰি ৰখাৰ দীৰ্ঘদিনীয়া অভ্যাসৰ কাৰণেই সামাজিক উৎপাদন ব্যৱস্থাৰ অন্যতম বুনিয়াদ ৰূপী প্ৰাকৃতিক সম্পদৰ ওপৰত বৃহৎ পুঁজিৰ আগ্ৰাসন আৰু লুণ্ঠন প্ৰতিৰোধ কৰাৰ কথাটোক কেতিয়াও গুৰুত্ব দিয়াই নাই অথবা উন্নয়ণৰ দোঁহাই দি সোঁপন্থী ৰাজনৈতিক দলবোৰৰ দৰেই দুখীয়া খেতিয়কক বা মৎস্যজীৱিক উচ্ছেদ কৰি হ'লেও মাটিৰ দৰে সম্পদ, জলসম্পদ, বনসম্পদক কৰ্পোৰেট পুঁজিৰ হাতত তুলি দিয়াৰ কামহে কৰি দিছে। সেয়ে, অসমত চলমান

বৃহৎ নদীবান্ধ বিৰোধী আন্দোলনৰ দৰে, ভূমিৰ পৰা উচ্ছেদৰ বিৰুদ্ধে হৈ থকা আন্দোলনবোৰৰ প্ৰতি এই নেতৃত্বৰ উদাসীন মনোভাৱৰ কথাটো একো দুৰ্বোধ্য বিষয় নহয়। ঠিক সেইদৰেই অৱদমিত নিপীড়িত, তথাকথিত মূলসুতিৰ পৰা স্বতন্ত্ৰ জাতি-জনগোষ্ঠীৰ আশা - আকাংক্ষ্যাৰ প্ৰতি এই নেতৃত্বই সদায়েই উদাসীনতাৰ মনোভাৱ প্ৰদৰ্শন কৰি আহিছে শ্ৰেণী ঐক্যৰ দোঁহাই দি । নকলেও চলে যে এই মনোভাৱহে প্ৰকৃত শ্ৰেণী ঐক্যৰ পৰিপন্থী। ফলত, গণবিধ্বংসী বৃহৎ নদীবান্ধ বিৰোধী আন্দোলনকে ধৰি সম্পদৰ ওপৰত জনসাধাৰণৰ অধিকাৰ সাব্যস্তকৰাৰ আন্দোলনত জনগণৰ সৈতে সঁচা আত্মীয়তা গঢ়িব পৰা বৃহৎ আয়তনৰ গণ নেতৃত্বৰ অভাৱ বাৰুকৈ দেখা দিছে। জনগোষ্ঠীয় অধিকাৰৰ ন্যায্যসীমাক লঙ্ঘণ কৰিব খোজা জনগোষ্ঠীয় ক্ষুদ্ৰ মধ্যশ্ৰেণীৰ প্ৰতিক্ৰিয়াশীল অংশই নিৰ্দিষ্ট জনগোষ্ঠীৰ আন্দোলনক অন্য জনগোষ্ঠীৰ বিৰুদ্ধে বিপথগামী কৰিবলৈ চল পাইছে আৰু প্ৰধান শাসকীয় ৰাজনৈতিক শক্তিয়ে ইয়াৰে সুযোগ লৈছে Divide and rule ৰ কাৰণে। অসমৰ সামাজিক জীৱনৰ এনে এক প্ৰেক্ষাপটতে বাওঁ-গণতান্ত্ৰিক আন্দোলনৰ এক ব্যতিক্ৰমী ধাৰা হিচাবেহে আৰ্মকাৰ আন্দোলনৰ জন্ম হৈছিল।

<u>আৰ্মকাৰ উত্থানৰ পটভূমি ঃ</u>



যোৱা শতিকাৰ আশীৰ দশকৰ অসমত বিদেশী বিতাড়ণৰ গয়না লৈ এক উগ্ৰ অসমীয়া আধিপত্যকামী শক্তিৰ উত্থান ঘটে। '৮৫ চনত দিশপুৰীয়া গাদীত অসম গণ পৰিষদ দলৰ চৰকাৰ গঠনৰ পিচতে অসমীয়া ভাষাক একমাত্ৰ শিক্ষাৰ মাধ্যম কৰি জাৰি কৰা হয় SEBA চাৰ্কুলাৰ। লগে লগে বড়োাহে ধৰি অন্যান্য জনগোষ্ঠীৰ মনতো ক্ষোভৰ জুই জ্বলি উঠে। বড়ো যুৱ নেতত্বই আৰম্ভ কৰে ডিভাইড আসাম ৫০/৫০ আন্দোলন। ইফালে সৰ্বভাৰতীয় প্ৰেক্ষাপটত মণ্ডল কমিচনৰ সুপাৰিশ অনুযায়ী ১৮% আসন অন্যান্য পিচপৰা শ্ৰেণীৰ বাবে সংৰক্ষণ কৰাৰ বিৰুদ্ধে উচ্চ বৰ্ণীয় ছাত্ৰ সমাজৰ মাজত আৰম্ভ হয় আন্দোলন আৰু '৮৫ চনলৈ গুজৰাটৰ ই মাৰমুখী ৰূপ ধাৰণ কৰে। ইতিমধ্যেই সংৰক্ষণৰ ব্যৱস্থা থকা দলিত আৰু জনজাতীয় সকলৰ সংৰক্ষণ ব্যৱস্থা উঠাই দিয়াৰ দাবীত ব্যাপক অশান্তি আৰম্ভ হয়। এইহেন পৰিস্থিতিত অসমতো একাংশ উচ্চবৰ্ণীয়ৰ মাজত সংৰক্ষণ বিৰোধী মনোভাৱে গা কৰি উঠাৰ লগে লগে বিপৰীত পক্ষত জনজাতি, অন্যান্য পিচপৰা বৰ্গবোৰৰ মাজত সংৰক্ষণৰ পক্ষে আন্দোলন বাঢ়িবলৈ ধৰে । এনে সংৰক্ষণ আন্দোলন সমূহৰ সমন্বয় মঞ্চ হিচাবে জন্ম হয় সংযুক্ত সংৰক্ষণ আন্দোলন পৰিষদ, অসম (United Reservation Movement Council, Assam–

URMCA)ৰ। সৌৰভ বৰাৰ ছহিদীৰে প্ৰাথমিক জয়যাত্ৰা আৰম্ভ কৰা আৰ্মকাই আলফাৰ জনবিৰোধী সন্ত্ৰাসৰো বিৰুদ্ধে প্ৰতিৰোধ গঢ়াৰ আহ্বান দি ওপৰৰ পৰা আহ্বান দিয়া আন্দোলনৰ ৰাজনীতিৰে বিৰাট প্ৰসাৰো লাভ কৰে। জাতীয় নিপীড়ণ বিৰোধী সংগ্ৰামৰ এই সমগ্ৰ সময়ছোৱাত সংগ্ৰামত অংশগ্ৰহণ কৰি বহু প্ৰতিশ্ৰুতিসম্পন্ন সংগ্ৰামীয়ে আত্মবলিদানৰ মহৎ চানেকিৰে সংগ্ৰামৰ গৌৰৱপূৰ্ণ অধ্যায় আজিও উজলাই ৰাখিছে। তথাপিও আৰ্মকাৰ আহ্বানে ব্যাপক জনগণৰ পৰা সহাঁৰি পালেও কোনো মৌলিক পৰিৱৰ্ত্তনৰ মতাদৰ্শৰ সামাজিক লক্ষ্যই জনতাৰ মনত গভীৰ খোপনি লব নোৱাৰিলে ; নেতৃত্বৰ আগশাৰী পুৰাই থকা সকলেও ইয়াৰ বাবে যথোচিত পদক্ষেপ গ্ৰহণত অপাৰগতা দেখা গ'ল।

ইয়াত প্ৰতিফলন ঘটে অতিৰঞ্জিত আশাবাদী চিত্ৰ তুলি ধৰি অংশগ্ৰহণ কৰা ১৯৯০ চনৰ বিধানসভা নিৰ্বাচনত। নিৰ্বাচনী জয়ৰ স্বপ্নৰ প্ৰত্যাশা পূৰণ কৰিব নোৱাৰাত আন্দোলনকাৰী শক্তিৰো বহুতেই আকৌ প্ৰতিষ্ঠিত ক্ষমতা কেন্দ্ৰৰ চৌপাশেই সমাৱেশিত হ'বলৈ আৰম্ভ কৰে আৰু আন্দোলনৰ মূল শক্তি কেন্দ্ৰতো কিছু অৱক্ষয়ৰ ঘূণে ধৰিববলৈ আৰম্ভ কৰে।

ইতিমধ্যে সংৰক্ষণ আন্দোলন পিচ হুঁহকিবলৈ



আৰম্ভ কৰিছিল। ইয়াৰ বিপৰীতে গণতান্ত্ৰীকৰণৰ আন বহু প্ৰশ্ন, বিশেষকৈ বহুজাতীয় ৰাষ্ট্ৰৰ অতিকেন্দ্ৰীকৰণ বৰ্দ্ধিষ্ণু প্ৰৱণতাৰ বিৰুদ্ধে প্ৰকৃত সংঘৰাষ্ট্ৰবাদৰ আৰ্হিত ৰাষ্ট্ৰৰ পুনৰ্গঠনৰ দাবীবোৰে অগ্ৰাধিকাৰ পাবলৈ আৰম্ভ কৰিছিল।

ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্য্যায়ত এনে প্ৰেক্ষাপটত সংৰক্ষণ আৰু গণতন্ত্ৰৰ আন আন প্ৰশ্নক কেন্দ্ৰ কৰি গঢ় লৈ উঠা শক্তিৰ অকল সংৰক্ষণ প্ৰশ্নতে আৱদ্ধ নাৰাখি সাৰ্বিক গণতান্ত্ৰিক কৰ্মসূচীৰ ভিত্তিত পুণৰ্গঠিত কৰাৰ প্ৰয়োজন দেখা দিয়ে। '৯২ চনৰ মে মাহত বিহপুৰীয়া সন্মিলনত ভাৰতবৰ্ষক এখন প্ৰকৃতসংঘৰাষ্ট্ৰ ৰূপে গঢ়া ; সংঘীয় ভাৰতৰ গোট হিচাবে অসমৰ সমস্ত প্ৰাকৃতিক সম্পদ, কল-কাৰখানা-শিল্পউদ্যোগৰ ওপৰত অসমৰ ৰাইজৰ পূৰ্ণ গঠনৰ বাবে সংগ্ৰাম কৰাৰ বিষয়বোৰক মৌলিক বিষয় হিচাবে লৈ আন্দোলনৰ কাৰ্য্যসূচী যুগুতাই নতুন পৰিস্থিতিৰ প্ৰয়োজন সাপেক্ষে সংযুক্ত সংৰক্ষণ আন্দোলন পৰিষদ, অসম নাম সলনি কৰি সংযুক্ত বিপ্লৱী আন্দোলন পৰিষদ, অসম নাম সলনি কৰি সংযুক্ত বিপ্লৱী আন্দোলন পৰিষদ, অসম (United Revolutionary Movement Council, Assam : URMCA) নামেৰে সংগঠনটো পুনৰ্গঠিত হয়।

পুনৰগঠনৰো আৰম্ভনি পৰ্বত সংঘৰাষ্ট্ৰীয়তাৰ আৰ্হিত ভাৰতৰ পুনৰগঠন, ভূপিন্দৰ সিং কমিটিৰ পৰামৰ্শৰ

ভিত্তিত জনজাতীয় গোষ্ঠীসমূহৰ বাবে স্বায়ত্বশাসনৰ ব্যৱস্থা গ্ৰহণৰ দাবীবোৰৰ আন্দোলনৰ কিছুদূৰলৈ বিস্তাৰ লাভ ঘটিছিল ভালভাৱেই। কিন্তু লাহে লাহে আন্দোলন আকৌ স্থবিৰপ্ৰায় হ'বলৈ আৰু আন্দোলনৰ দায়িত্ব কান্ধ পাতি লোৱা মূল শক্তিৰ প্ৰধান কৰ্তব্যৰ কেন্দ্ৰস্থলৰ পৰা লাহে লাহে অতিকেন্দ্ৰিক ব্যৱস্থাৰ বিৰুদ্ধে তথা ৰাষ্ট্ৰৰ দমনমূলক কাৰ্য্যৰ বিৰুদ্ধে সংগ্ৰামৰ কাৰ্য্যসূচী দৈনন্দিন কৰ্মতালিকাৰ পৰা হেৰাই যায় — মাজে সময়ে কাগজৰ পাতত দুই এটা আহ্বান জনোৱা বিবৃতি আৰু ঘোষণাৰ বাদে। ফলস্বৰূপে, নব্বৈৰ দশকৰ পৰা ৰাজহুৱা খণ্ডৰ হাতত থকা বিশাল সম্পদৰাজিক ৰাজনীতিজীৱি আৰু আমোলা সকলৰ পকেটলৈ শকত কমিচনৰ বিনিময়ৰ সীমাহীন দুৰ্নীতিৰে দেশী-বিদেশী কৰ্পোৰেট খণ্ডৰ হাতত তুলি দিয়াৰ অঙ্গঁ হিচাবে অসম তথা উত্তৰ-পূৰৰ ৰাজ্যসমূহৰ জনগণৰ জন্মস্বত্বক উলংঘা কৰি মাটি-পানী-বনভূমি যিদৰে বৃহৎ পুঁজিৰ হাতত তুলি দিয়াৰ ষড়যন্ত্ৰচলিছে, জনমতক অগ্ৰাহ্য কৰি বৃহৎ নদীবান্ধ নিৰ্মানেৰে যি ধ্বংসযজ্ঞৰ আখড়া চলাই থকা হৈছে অথচ সেইবোৰ বিষয়ে মনোযোগৰ অভাৱত গণবিক্ষোভৰ স্বত ঃস্ফূৰ্ত্ত বিস্ফোৰণৰ আগলৈকে আমাৰ সংগঠনে প্ৰায় অজলাৰ ভূমিকাকে লৈ থাকিব লগা হ'ল।

একমাত্ৰ ব্যতিক্ৰম আছিল বড়োল্যাণ্ডৰ নামত চলা



নৃগোষ্ঠীয় চাফাই অভিযানৰ বিৰুদ্ধে প্ৰথমে চাওঁতাল-আদিবাসী আৰু পিছলৈ অন্যান্য জনগোষ্ঠীৰ মাজতো গঢ়ি উঠা প্ৰতিৰোধ প্ৰৱণতাৰ সৈতে যুক্ত হৈ আৰ্মকাই দিয়া গণপ্ৰতিৰোধৰ আহ্বানে আক্ৰান্ত জনগোষ্ঠীসমূহৰ মাজত ব্যাপক সহাঁৰি লাভৰ ঘটনা। ইয়াৰ ফলতে, ১৯৯৮ চনৰ লোকসভা নিৰ্বাচনৰ জাতীয় সংকীৰ্ণতাৰ একক আধিপত্যকাৰী বড়ো নেতৃত্বৰ বিৰুদ্ধে কোকৰাঝাৰ লোকসভা সমষ্টিত আৰ্মকাৰ প্ৰাৰ্থীয়ে (থিয়োডৰ কিস্কু ৰাপাজ) দেড়লক্ষাধিক আৰু দ্বিতীয় বাৰতো প্ৰায় আঢ়ৈ লাখ ভোট লাভেৰে বিজয়ী প্ৰাৰ্থীৰ সন্মুখত প্ৰবল প্ৰত্যাহ্বান থিয় কৰাব পাৰিছিল। কিন্তু, ইমানৰ পিচতো — তাৎক্ষণিক প্ৰয়োজনৰ উপৰুৱা ৰাজনৈতিক সমৰ্থনৰ পিচতো সংগঠনে জনসাধাৰণৰ তৃণমূল স্বৰত দৃঢ় আৰু স্থায়ীত্বৰ নিশ্চিতি থকা খোপন লব নোৱাৰিলে আৰু পৰৱৰ্তীকালৰ আন্দোলনক বহল গণতন্ত্ৰীকৰণৰ দিশে আগুৱাই নিবলৈ সক্ষম নহ'ল। পৰিণাম স্বৰূপে, জন আন্দোলনৰ মাজমজিয়াত উপযুক্ত সাৰ্ব্বজনীন গণতন্ত্ৰবাদী নেতৃত্বৰ অভাৱত ক্ষতিগ্ৰস্ত হৈছে জন-আন্দোলন আৰু ই গণতান্ত্ৰিক আন্দোলনৰ প্ৰয়োজনীয় ঐক্য আৰু সংহতি বিনাশী ভ্ৰাতৃঘাতী সংঘৰ্ষৰ সৃষ্টিকাৰী শক্তিক তাণ্ডৱ নচাৰ সুযোগ দিছে। আমি কেৱল শান্তি-সম্প্ৰীতি কিম্বা গণপ্ৰতিৰোধৰ আহ্বান জনোৱা

'বুদ্ধিজীৱি'সুলভ দায়িত্ব পালনেৰেই আত্মসন্তুষ্টি লভি থাকিব লগা হৈছে। ইয়াৰ বাবে আমি নিশ্চয় জনগণৰ ওচৰত জবাবদিহি হ'বই লাগিব।

সামাজিক দায়বদ্ধতাক অহৰ্নিশে ঘোষণা কৰা সংগঠনৰ এনে দুৰ্বলতা আৰু ত্ৰুটি-বিচ্যুতিক অকল আন্দোলনৰ মাজৰ "একাংশৰ বিশ্বাসঘাতকতা", আন "একাংশৰ সস্খলন" অৰু বাদবাকীখিনি অকল 'মহান বিপ্লৱী'সকলে অধীনস্থ কৰ্মীসকলক ৰাজনৈতিক ভাবে প্ৰশিক্ষিত কৰাৰ কাম "আয়ত্ব কৰিব নোৱাৰা"ৰহে নিৰীহ ব্যাখ্যাৰ পালমৰা আত্মসমালোচনাৰে দায় সাৰিব নোৱাৰি।

আৰ্মকা সংগঠনৰ কৰ্ণধাৰৰূপী নেতৃপদ দখলকাৰী সকলে যেনে স্বেচ্ছাচাৰী আমোলাতান্ত্ৰিক কায়দাত সংগঠন চলাই সংগঠনৰ আভ্যন্তৰীণ গণতন্ত্ৰক ধ্বংস কৰাৰ 'আখড়া' চলাই আছে, সংগঠনৰ নিয়মীয়া সন্মিলন পৰ্য্যন্ত অনুষ্ঠিত নকৰি নিজৰ মনপছন্দৰ আজি ইজন, কালি সিজনক পদাধিকাৰী পাতি তদৰ্থ ব্যৱস্থাৰ সংগঠন এটা নামত বজায় ৰাখিছে, সমালোচনাৰ আশংকা দেখিলেই চক্ৰান্তৰ জাল তৰিছে —এনে স্বেচ্ছাচাৰী কৰ্মনীতিক প্ৰত্যেক সৎ বিবেকবান মানুহে সৰৱ বিৰোধিতা কৰা উচিত আৰু সমালোচনাৰ ধাৰা গঢ়ি তোলা উচিত। কোনো শৃঙ্খলাতত্ত্ব বা দলৰ প্ৰতি ভক্তিমূলৰ আনুগত্যৰ তত্বই ইয়াক বাধা দি



ৰাখিব পৰা উচিত নহয়। এনে কৰিলেহে অনৈক্যৰ সকলো ষড়যন্ত্ৰৰ মষিমূৰ কৰি নতুন সংগ্ৰামী ঐক্য গঢ়ি তুলিব পাৰি।

নতুন দিনৰ নতুন সংগ্ৰামৰ গঢ়াৰ প্ৰস্তুতি আৰু ছলমান ইতিবাচক সংগ্ৰামবোৰৰ সৈতে সংহতি গঢ়াৰ প্ৰয়াস হিচাবে আমি আৰ্মকাক গণ আন্দোলনৰ মঞ্চ হিচাবে পুনৰ্গঠনৰ আহ্বান জনাওঁ আৰু আগন্তুক দিনৰ সংগ্ৰামৰ কৰ্মসূচীৰ অগ্ৰাধিকাৰ এনেভাবে প্ৰস্তুত কৰাৰ প্ৰস্তাৱ কৰোঁ ঃ

* গণবিধ্বংসী বৃহৎ নদীবান্ধৰ বিৰোধিতা আৰু মাটি-পানী-বন-ৰ ওপৰত অসমবাসীৰ জন্মস্বত্ত্বক উলংঘা কৰি সেইবোৰ কৰ্পোৰেট পুঁজিৰ হাতত গতাই দিয়াৰ বিৰোধিতা কৰা আৰু ইবোৰ সম্পদৰ ওপৰত জনগণৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰি জনগণৰ আৰ্থনীতিক বুনিয়াদ পুনৰ্নিৰ্মাণৰ প্ৰশ্নত ;

* ভাৰত ৰাষ্ট্ৰত ভিন ভিন জাতিৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত হোৱাকৈ ভাৰতীয় সংঘৰাষ্ট্ৰীয়তাৰ পুনৰ্নিৰ্মাণৰ প্ৰশ্নত ;

* যিবোৰ জনজাতীয় গোষ্ঠীৰ বাবে স্বায়ত্বশাসিত জিলা বা ৰাজ্য ধৰণৰ এলাকা গঠন সম্ভৱেই, নহয় তাত ভূপিন্দৰ সিং কমিটিৰ পৰামৰ্শক আধাৰ হিচাবে লৈ জনজাতীয় সংখ্যাগৰিষ্ঠতা থকা গাওঁ তথা সংলগ্নতা থকা গাওঁপুঞ্জৰ স্বায়ত্বশাসিত প্ৰাথমিক গোট গঠন কৰি সেইবোৰৰ

ওপৰত এলাকাবিহীন (Non territorial) উপগ্ৰহীয় শীৰ্ষ সংস্থা গঠন কৰি সেইবোৰ নিৰ্বাচিত সংস্থাৰ হাতত সম্ভৱপৰ ক্ষেত্ৰৰ নিয়ন্ত্ৰণ ক্ষমতা অৰ্পন কৰা আৰু এইবোৰ সাৰ্বজনগ্ৰাহ্যকৈ গঢ়ি তোলাৰ বাবে ঘূৰণীয়া মেজমেলৰ আয়োজন কৰাৰ প্ৰশ্নত ;

* যিকোনো গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণৰ ক্ষেত্ৰত জনমতক গুৰুত্ব দিয়া আৰু ৰাষ্ট্ৰৰ দমন নীতিৰ বিপৰীতে তেনে প্ৰশ্নত গণভোট বা সমপৰ্য্যায়ৰ জনমতৰ ওপৰত নিৰ্ভৰ কৰি কাৰ্য্যনীতি যুগুত কৰাৰ প্ৰশ্নত ;

* প্ৰব্ৰজনৰ সমস্যাটোক 'ৰাজনৈতিক খেলা'ৰ বিষয় কৰি নাৰাখি তাক উপযুক্ত কাৰ্য্যকৰী উপায়েৰে সমাধানৰ তৎপৰতা গ্ৰহণৰ প্ৰশ্নত ;

* পঞ্চায়তীৰাজ ব্যৱস্থাক দলীয় ৰাজনীতিৰ উৰ্দ্ধত সঁচা গণকৰ্তৃত্বৰ সংস্থা ৰূপে গঢ়াৰ দাবীৰ ক্ষেত্ৰত ;......

❖❖❖❖❖

আৰ্মকাৰ পুনৰগঠন আহ্বায়ক সমিতিৰ হৈ—
হৰেশ্বৰ বৰ্মন, ব্ৰজেন মহন্ত, মচফিকা বেগম,
মাধুৰী বড়া, ৰফিকুল ইছলাম, দেৱেন কুমাৰ

---

বিঃ দ্ৰঃ—পুনৰ গঠন আহ্বান সন্দৰ্ভত আপোনাৰ মতামত লিখিতভাবে আহ্বায়ক কমিটিলৈ ২০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰেৰণৰ বাবে অনুৰোধ জনালোঁ।